আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 30, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৩ Guwahati, Assam ।। মূল্যঃ এটকা

# খাৰ্গেৰ বক্তব্যক গৰিহণা বিজেপিৰ

কংগ্ৰেছে হতাশাত ভিত্তিহীন মন্তব্য দিছে। মানুহে পৰিয়ালবাদক সম্পূৰ্ণকৈ প্ৰত্যাখ্যান কৰিছে।



ছত্তীশগড়ত মাওবাদীৰ আক্ৰমণত নিহত ৩ জোৱান, বাতৰি ভিতৰৰ পৃষ্ঠাত

# এইবাৰেই শেষ!

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পুটিনৰ সৈতে তুলনা

## ভাৰতত আৰু নিৰ্বাচন অনুষ্ঠিত নহ'ব

## মল্লিকাৰ্জুন খাৰ্গেৰ মন্তব্যক লৈ চাঞ্চল্য



■ সবিশেষ বাতৰি ভিতৰৰ পৃষ্ঠাত

## সোঁশৰীৰে যোৰহাট থানাত হাজিৰ হ'ব বুলি ঘোষণা

# শ্বহীদ কুশল কোঁৱৰক ৰখা জেলত থকাৰ মন ভূপেন বৰাৰ

**ই-সংবাদ, ৩০ জানুৱাৰীঃ** অসমত ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়তে যোৰহাটত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ বিৰুদ্ধে আৰক্ষীয়ে কেইবাটাও ধাৰাত গোচৰ ৰুজু কৰাৰ পিছতে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে ৰাজ্যৰ বিৰোধী দলটোৱে। ভূপেন বৰাৰ বিৰুদ্ধে বিজেপি চৰকাৰখনে ষড়যন্ত্ৰমূলকভাৱে বিভিন্ন ধাৰাত গোচৰ ৰুজু কৰা বুলি ক্ষোভ জাহিৰ কৰি ফেচবুকযোগে ভিডিঅ' প্ৰচাৰ কৰে প্ৰদেশ কংগ্ৰেছে। ইফালে অসম আৰক্ষীয়ে ৰুজু কৰা এই গোচৰক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভূপেন বৰাইও। উল্লেখ্য যে, ন্যায় যাত্ৰাৰ সময়ত যোৰহাটত পথ সলনি কৰি বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰাৰ অভিযোগত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ বিৰুদ্ধে ৮টা ভিন্ন ধাৰাত গোচৰ ৰুজু কৰিছিল আৰক্ষীয়ে। ভাৰতীয় দণ্ড বিধিৰ 120(B), 115(II), 143,147, 188, 283, 323, 353 আৰু পিডিপিপিৰ অধীনত ৰাজহুৱা সম্পত্তি ধ্বংস, হত্যাৰ অভিসন্ধিৰ অভিযোগত জামিনবিহীন গোচৰ ৰুজু কৰা হৈছে ভূপেন বৰাৰ বিৰুদ্ধে। এই গোচৰ ৰুজু কৰি যোৰহাট আৰক্ষীয়ে বৰাক আৰক্ষী থানাত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়াৰ পিছতে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে সোঁশৰীৰে গৈ যোৰহাট থানাত উপস্থিত হ'ব বুলি সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰে। আনহাতে এই জামিনবিহীন গোচৰত আগতীয়াকৈ জামিন ল'বলৈও অস্বীকাৰ কৰে বৰাই। ইফালে অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰাত আনুষ্ঠানিক বিবৃতি জাৰি কৰি প্ৰদেশ কংগ্ৰেছে কয় যে ৩১ জানুৱাৰীত দিনৰ ১১ বজাত ভূপেন বৰাক যোৰহাট থানাত হাজিৰ হ'বলৈ নিৰ্দেশ দিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে ঘোষণা কৰি কৈছে যে আগতীয়া জামিন নলওঁ। ভ্ৰষ্টচাৰী চৰকাৰৰ ওচৰত নতশিৰ নহওঁ। যাৰ বাবে ভূপেন বৰাই সোঁশৰীৰে যোৰহাট থানাত হাজিৰ হ'ব। অন্যহাতে যদি ভূপেন বৰাক গ্ৰেপ্তাৰ কৰা হয় আৰু কাৰাৰুদ্ধ হ'বলগীয়া হয়, তেন্তে দলৰ নেতা-কৰ্মীক সততাৰে লোকসভা নিৰ্বাচনত কাম-কাজ কৰিবলৈ আহ্বান জনায় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। আজি ভূপেন বৰাই সংবাদ মাধ্যমৰ মুখামুখি হৈ কয়, "মই অধিবক্তাৰ সৈতে আজি কথা পাতিছো। যদি অধিবক্তাই মোক থানালৈ যাবলৈ কয় মই থানাত হাজিৰ হম। মোৰ বিৰুদ্ধে জামিনবিহীন গোচৰ ৰুজু কৰা হৈছে। মোৰ কাৰণে যদি কোনোবা মানুহৰ মৃত্যু হয় তেতিয়াহে সেই ধাৰা লগায়। মই আৰক্ষীক সুধিলেহে গম পাম যে মই কাক হত্যা কৰিব খুজিছিলো।" ভূপেন বৰাই আৰু কয়, "মই জামিন নলওঁ। যোৰহাট কাৰাগাৰৰ এটা ইতিহাস আছে। তাত শ্বহীদ কুশল কোঁৱৰ আছিল। মই এতিয়ালৈ শ্বহীদ হোৱা নাই। কিন্তু মোক দুবাৰ শ্বহীদ কৰিবলৈ প্ৰয়াস কৰা হ'ল। জামুগুৰি আৰু গুৱাহাটীত হত্যা কৰিবলৈ প্ৰয়াস কৰা হ'ল। মোক ছয়জন আৰক্ষীয়ে গতিয়াই পেলাই দিছে। এজন পুলিছে কৈছিল ইয়াৰ ওপৰত উঠি গচকি দে। জামুগুৰিত যিজন ল'ৰাই মোক আক্ৰমণ কৰিছিল, সেইজন ল'ৰাই জয় শ্ৰীৰাম বুলি বাইকত পতাকা লৈ ঘূৰি আছে।" তেওঁক হত্যা কৰিব বিচৰাসকল মুকলিকৈ ঘূৰি আছে, তেওঁহে কিয় জামিন ল'ব লাগে বুলি প্ৰশ্ন কৰি ভূপেন বৰাই কয়, "মই কতোৱেই সুৰক্ষিত নহয়। আগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতিক সুৰক্ষা দিয়া হৈছিল। মোক সুৰক্ষা দিয়া হোৱা নাই। চৰকাৰ-প্ৰশাসনে যি কৰে কৰিব। মই কাৰোবাক মাৰিছো নেকি? মোৰ আজিও ফ্ৰেকচাৰ হৈ আছে। ভৰি শুকুওৱা নাই। নিতৌ টেবলেট খাই আছো।" ঘুচিয়ালে মোক, গটিয়ালে মোক, বেতেৰে কোবালে মোক, আকৌ মোৰ ওপৰতে জামিনবিহীন গোচৰ তৰা হৈছে বুলি ক্ষোভ প্ৰকাশ কৰে ভূপেন বৰাই।

# বিশেষ অভিযান, কাছাৰৰ ধলাইত ৮ কোটিৰ ড্ৰাগছ উদ্ধাৰ

**ই-সংবাদ, ৩০ জানুৱাৰীঃ** কাছাৰ জিলাত ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। কাছাৰ জিলা আৰক্ষীয়ে অভিযান চলাই পুনৰ ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আজি আৰক্ষী অধীক্ষক সুব্ৰত সেনে ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰাৰ তথ্য জাৰি কৰিছে। কাছাৰ আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ সময়ত ধলাই অঞ্চলত দুই ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ লগতে ৫0টা চাবোনৰ বাকচৰ পৰা ১ কেজি ৫৩১ গ্ৰাম হেৰ'ইন আৰু ৪৬০ গ্ৰাম য়াবা টেবলেট জব্দ কৰিবলৈ সক্ষম হয়। ড্ৰাগছ ব্যৱসায়ী দুজন হৈ বাবুল উদ্দিন লস্কৰ আৰু শ্বাহৰুল আলম লস্কৰ। জব্দ কৰা হেৰ'ইনৰ বজাৰ মূল্য ৮ কোটি টকাতকৈও অধিক হ'ব বুলি জানিব পৰা গৈছে।

## ওড়িশাত কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ দাবী

# এইবাৰেই শেষ, দেশত আৰু অনুষ্ঠিত নহয় নিৰ্বাচন

**ভুৱনেশ্বৰ, ৩০ জানুৱাৰীঃ** এইবাৰেই শেষ! ইয়াৰ পিছত আৰু ভাৰতত অনুষ্ঠিত নহয় নিৰ্বাচন। এই দাবীৰে দেশৰ জনতাক এক বিশেষ আহ্বান জনাইছে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। ওড়িশাত দলীয় নেতা-কৰ্মীক সম্বোধন কৰি প্ৰদান কৰা ভাষণত দিল্লীৰ শাসকীয় নৰেন্দ্ৰ মোদী চৰকাৰক কঠোৰ সমালোচনা কৰি মল্লিকাৰ্জুন খাৰ্গেয়ে কয় যে এইবাৰেই দেশত শেষবাৰৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। দেশবাসীয়ে এইবাৰেই শেষবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতেও তুলনা কৰে। ইফালে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ইণ্ডিয়াক বিশ্বাসঘাতকতা কৰি এন ডি এত চামিল হোৱাক লৈও ক্ষোভ জাহিৰ কৰি খাৰ্গেয়ে কয়, "পৰহি আমাৰ এজন নেতাক লৈ গ'ল, এজন এজন নেতাক চমন দিয়া হ'ল। বিৰোধীৰ নেতাক ভয় খুওৱা হৈছে, ধমক দিয়া হৈছে। কংগ্ৰেছৰ সৈতে বন্ধুত্ব নেৰিলে আমি চাই ল'ম বুলি কয়। ভয়তে কোনোবাই বন্ধুত্ব এৰি দিছে, কোনোৱে দল এৰি গৈছে, কোনোৱে মিত্ৰতা এৰি গৈছে।" কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষগৰাকীয়ে পুনৰ কয়, "যদি এনে ভয়াতুৰ লোক এইখন দেশত থাকে তেন্তে এইখন দেশ থাকিব নে? এই সংবিধান, গণতন্ত্ৰ থাকিবনে? ভোট দিয়াৰ বাবে এইবাৰ শেষবাৰ সুবিধা পাইছে। ইয়াৰ পাছত কোনোৱে ভোট দিব নোৱাৰিব। ৰাছিয়াৰ পুটিনৰ দৰে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেনেকুৱাই হৈ থাকিব ভাৰতত।" খাৰ্গেয়ে প্ৰধানমন্ত্ৰী মোদীক পুটিনৰ সৈতে তুলনা কৰি মোদীৰ নেতৃত্বত বিজেপিয়ে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত জয়লাভ কৰিলে দেশ একনায়কত্ব আৰু স্বৈৰাচাৰী শাসনত পৰিণত হ'ব বুলি দাবী কৰে। এটা সংবাদ সংস্থাক দিয়া প্ৰতিক্ৰিয়াত খাৰ্গেয়ে আৰু কয় যে লোকসভা নিৰ্বাচনত যদি মোদী শাসনলৈ আহে, তেন্তে ভাৰতত আৰু গণতন্ত্ৰ জীয়াই নাথাকিব, নিৰ্বাচন অনুষ্ঠিত নহ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে বিৰোধী নেতালৈ ইডিৰ জাননী প্ৰেৰণ কৰি সকলোকে ভয় খুওৱা বুলি মন্তব্য কৰি বিজেপি আৰু আৰএছএছক 'বিষাক্ত' বুলি অভিহিত কৰে। আৰ এছ এছক বিজেপিৰ মেৰুদণ্ড বুলি অভিহিত কৰি তেওঁ কয় যে আৰ এছ এছ আৰু বিজেপিয়ে দেশত ঘৃণা বিয়পাইছে। কিন্তু ইয়াৰ বিপৰীতে ৰাহুল গান্ধীয়ে সমগ্ৰ দেশত একত্ৰিত কৰি প্ৰেম আৰু ভাতৃত্ববোধ প্ৰসাৰৰ কাম কৰিছে।

## মল্লিকাৰ্জুন খাৰ্গেৰ ভাষণৰ পিছতে সংবাদমেল

# কংগ্ৰেছক প্ৰত্যাক্ৰমণ বিজেপিৰ

**নতুন দিল্লী, ৩০ জানুৱাৰীঃ** কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে দেশত এইবাৰেই শেষবাৰৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি দাবী কৰাত সোচ্চাৰ হৈছে শাসকীয় বিজেপি। ওড়িশাত খাৰ্গেয়ে নৰেন্দ্ৰ মোদী পুনৰ জয়ী হৈ প্ৰধানমন্ত্ৰী হ'লে এইবাৰৰ শেষবাৰৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি দাবী কৰাত প্ৰত্যুত্তৰ দিছে বিজেপিয়ে। আজি বিজেপি নেতা সুধাংশু ত্ৰিবেদীয়ে সংবাদমেল পাতি মল্লিকাৰ্জুন খাৰ্গেক প্ৰত্যুত্তৰ দি কয় যে কংগ্ৰেছে হতাশাত ভিত্তিহীন মন্তব্য দিছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বক্তব্য নিন্দনীয়। উত্তৰৰ পৰা দক্ষিণলৈ লোকসভা নিৰ্বাচনত মানুহে পৰিয়ালবাদক প্ৰত্যাখ্যান কৰিছে। ভাৰতত প্ৰকৃততে জনশক্তিয়ে শাসন দখল কৰিছে। সুধাংশু ত্ৰিবেদীয়ে আৰু কয় 'কংগ্ৰেছৰ প্ৰথম প্ৰধানমন্ত্ৰী শূন্য ভোট লাভ কৰি প্ৰধানমন্ত্ৰী হৈছিল। সকলো ভোট চৰ্দাৰ পেটেললৈ গৈছিল। কিন্তু পণ্ডিত জৱাহৰলাল নেহৰু প্ৰধানমন্ত্ৰী হৈছিল। মনমোহন সিঙে প্ৰণৱ মুখাৰ্জীক কৈছিল যে মেডামে মোক প্ৰধানমন্ত্ৰী হ'বলৈ কৈছে। এতিয়ালৈকে দেশত মাত্ৰ দুজন প্ৰধানমন্ত্ৰী প্ৰধানমন্ত্ৰী নিৰ্বাচিত হৈছে। প্ৰথমজন আছিল অটল বিহাৰী বাজপেয়ী আৰু দ্বিতীয়জন হৈছে নৰেন্দ্ৰ মোডী। ইয়াৰ বাহিৰে, কোনে প্ৰধানমন্ত্ৰী জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত হোৱা দেখা নাই। মল্লিকাৰ্জুন খাৰ্গেয়ে ওড়িশাত দলীয় কৰ্মীক সম্বোধন কৰি এইবাৰৰ শেষবাৰৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি দাবী কৰি কয় 'যদি এনে ভয়াতুৰ লোক এইখন দেশত থাকে তেন্তে এইখন দেশ থাকিব নে। এই সংবিধান, গণতন্ত্ৰ থাকিবনে? এয়া অন্তিমবাৰ সুবিধা পাইছে। ভোট দিয়াৰ বাবে শেষবাৰ সুবিধা পাইছে। ইয়াৰ পাছত কোনোৱে ভোট দিব নোৱাৰিব। ৰাছিয়াৰ পুটিনৰ দৰে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেনেকুৱাই হৈ থাকিব ভাৰতত।' প্ৰধানমন্ত্ৰী মোদীক পুটিনৰ সৈতে তুলনা কৰি নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিয়ে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত জয়লাভ কৰিলে দেশ একনায়কত্ব আৰু স্বৈৰাচাৰী শাসনত পৰিণত হ'ব বুলিও কয় মল্লিকাৰ্জুন খাৰ্গেয়ে।

# ছত্তীশগড়ত মাওবাদীৰ আক্ৰমণ, ৩ জোৱান নিহত

**ৰায়পুৰ, ৩০ জানুৱাৰীঃ** ১৩ ডিচেম্বৰত বিজেপিৰ নেতৃত্বত চৰকাৰ গঠনৰ পাছতে ছত্তীশগড়ত পুনৰ সক্ৰিয় হৈছে মাওবাদী৷ লোকসভা নিৰ্বাচনলৈ মাজত মাথোঁ দুটামাহ থকা অৱস্থাত পূৰ্বে ছত্তীশগড়ত ভয়ংকৰ আক্ৰমণ সংঘটিত কৰিছে মাওবাদীয়ে৷ ছত্তীশগড়ৰ বিজাপুৰ-চুকমা সীমান্তৰ তেকালগুডেমত অটব্য জংঘলত টহলদাৰী নিৰাপত্তাৰক্ষীৰ দলক মাওবাদীয়ে লক্ষ্য কৰি বৃহৎ আক্ৰমণ সংঘটিত কৰিছে৷ নিৰাপত্তাৰক্ষী আৰু মাওবাদীৰ মাজত লগা সংঘৰ্ষত তিনি জোৱান থিতাতে শ্বহীদ হোৱাৰ লগতে ১৪ জোৱান আহত হৈছে। সংঘৰ্ষত আহত ১৪ জন আঘাতপ্ৰাপ্ত জোৱানক শিবিৰত প্ৰাথমিক চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে ৰায়পুৰলৈ নিয়া হয়৷ জানিব পৰা মতে, নক্সালৰ কাৰ্যকলাপ ৰোধ কৰিবলৈ বিজাপুৰ-চুকমা সীমান্তৰ তেকালগুডেমত নিৰাপত্তাৰক্ষীৰ শিবিৰ স্থাপন কৰা হৈছে। শিবিৰৰ সমীপৰ জোনাগুড়াৰ আলিগুড়াত জিলা ৰিজাৰ্ভ গাৰ্ড, কোব্ৰা বেটেলিয়ন আৰু বিশেষ টাস্ক ফ'ৰ্চে টহল দি আছিল। সেই সময়তে আজি দুপৰীয়া নক্সালবাদীয়ে নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি গুলীবৰ্ষণ আৰম্ভ কৰে। গুলীবৰ্ষণত প্ৰায় ২০ নিৰাপত্তাৰক্ষী আহত হয়৷ তাৰ ভিতৰত তিনি নিৰাপত্তাৰক্ষী শ্বহীদ হয়৷ তেকালগুডেমত নিৰাপত্তাৰক্ষীক আকস্মিক আক্ৰমণ কৰে যদিও মাওবাদীক উচিত প্ৰত্যুত্তৰ দিয়ে নিৰাপত্তাৰক্ষীয়ে৷ কিন্তু অটব্য জংঘলত সোমাই মাওবাদীৰ দলটোৱে নিজকে ৰক্ষা কৰে। ২০২১ চনতো তেকালগুডেম অৰণ্যত মাওবাদীয়ে আৰক্ষীক আক্ৰমণ কৰিছিল৷ মাওবাদী আৰু আৰক্ষীৰ সংঘৰ্ষত ২৩ জোৱান শ্বহীদ হৈছিল। ২০২১ চনৰ তেকালগুডেম এনকাউণ্টাৰৰ পাছতে এটা শিবিৰ স্থাপন কৰা হৈছিল৷ ২০২১ চনৰ এপ্ৰিল মাহত বিজাপুৰ জিলাৰ প্ৰায় দুই হাজাৰ নিৰাপত্তাৰক্ষীয়ে এজন নক্সাল নেতাক বিচাৰি অভিযান চলাইছিল৷ সেই সময়ত দুয়ো পক্ষৰ সংঘৰ্ষ লাগিছিল৷ প্ৰায় ৭৫০ নক্সালবাদীয়ে জোৱানক ঘেৰি ধৰি কেইবা ঘণ্টাধৰি মেচিনগান চলাইছিল।

# কোকৰাঝাৰত ৰে'লৰ পৰা পৰি যুৱতীৰ মৃত্যু

**ই-সংবাদ, কোকৰাঝাৰ, ৩০ জানুৱাৰীঃ** কোকৰাঝাৰ ৰে'ল ষ্টেচনত আজি এক ভয়ংকৰ ঘটনা সংঘটিত হয়৷ ৰে'ল আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে আবেলি প্ৰায় চাৰি বজাত নিউ বঙাইগাওঁ ৰে'ল ষ্টেচনৰ পৰা যুৱতী গৰাকী আন এগৰাকী যুৱকৰ সৈতে নামনিমুৰা শৰাইঘাট এক্সপ্ৰেছত উঠি কোকৰাঝাৰলৈ বুলি যাত্ৰা কৰিছিল৷ কিন্তু ৰে'লখন কোকৰাঝাৰ ৰে'ল ষ্টেচন আহি পোৱাত যুৱতীগৰাকী চলন্ত ৰে'লৰ পৰা জাপ মাৰি নামিবলৈ ধৰোতেই দুৰ্ভাগ্যজনকভাৱে ৰে'লত সোমাই পৰে আৰু পিছত চিকিৎসালয়লৈ নিয়াৰ পথত যুৱতী গৰাকীৰ কৰুণ মৃত্যু হয়। ৰে'ল আৰক্ষীৰ মতে ৰে'লখন কোকৰাঝাৰ ৰেলৱে ষ্টেচনত ষ্টপেজ নথকা সত্বেও যুৱতীগৰাকী ৰে'লৰ পৰা জপিয়াইছিল। ইপিনে কোকৰাঝাৰ মেডিকেল কলেজ আৰু হস্পিতালৰ অধ্যক্ষ ড°অতুল চন্দ্ৰ বড়োৱে সদৰী কৰামতে মৃত যুৱতী গৰাকী শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ কমাৰ চুবুৰীৰ বাসিন্দা মনোজ বৰাৰ কন্যা পৰিস্মিতা বৰা(২৩)৷ কৰ্মসূত্ৰে পৰিস্মিতা বৰা কোকৰাঝাৰ মেডিকেল কলেজত নাৰ্ছ হিচাপে কৰ্মৰত আছিল৷ তেনেদৰে কোকৰাঝাৰ আৰএনবি অসামৰিক চিকিৎসালয়ৰ অধীক্ষকে জানিবলৈ দিয়া অনুসৰি কোকৰাঝাৰ মেডিকেল কলেজ আৰু হস্পিতালত নাৰ্ছ হিচাপে কৰ্মৰত পৰিস্মিতাই ভোগালী বিহুৰ পৰা ১৫ দিনৰ ছুটীত আছিল৷ পোন্ধৰ দিনীয়া ছুটী ২৯ জানুৱাৰীত অন্ত পৰাত পুনৰ নিজৰ স্বাস্থ্যজনিত কাৰণত এমাহৰ ছুটীৰ আবেদন জনোৱাত কোকৰাঝাৰ মেডিকেল কলেজ কৰ্তৃপক্ষই ছুটী মঞ্জুৰ কৰে৷ ঘূৰি আহোতে অতি দুৰ্ভাগ্যজনকভাৱে আজি আবেলি চলন্ত ৰে'লৰ পৰা কোকৰাঝাৰ ৰেলষ্টেছনত নামিবলৈ বুলি জপিয়াঁওতেই মূৰত গুৰুতৰভাৱে আঘাত পোৱাত চিকিৎসালয়লৈ নিয়াৰ পথত কৰুণভাৱে মৃত্যুক সাবটি লয়৷ উক্ত ঘটনাটোৱে জিলাখনত শোকৰ ছাঁ পেলাইছে।

# মাজুলীত গঁড়ৰ আক্ৰমণত আহত গোৱাল

**ই-সংবাদ, মাজুলী, ৩০ জানুৱাৰীঃ** মাজুলীত বিগত চাৰি পাঁচ মাহ ধৰি প্ৰায় চাৰিটা গঁড়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছে৷ মাজুলীৰ চৰ চাপৰিৰ লগতে গ্ৰাম্য অঞ্চলসমূহত বিচৰণ কৰি ফুৰা গঁড়ে খেতি বাতি ক্ষতি কৰাৰ লগতে জনবসতি এলেকাত সন্ত্ৰাস সৃষ্টি কৰি আহিছে। এই সম্পৰ্কত সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হৈ আহিছে। আজি গঁড়ৰ আক্ৰমণত এজনলোক গুৰুতৰভাৱে আহত হৈ চিকিৎসালয়ত ভৰ্তি কৰিব লগা হৈছে। মাজুলীৰ দৰবাৰ চাপৰিত এই ঘটনা সংঘটিত হৈছে। মাজুলীৰ চুমৈমাৰী বঙাল চাৰহ (৪৫) আহত হৈছে। চাৰহক মাজুলীৰ গড়মূৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বঙাল চাৰহে টিকিৰাই চাপৰিত থকা গৰু খুঁটি লৈ গৈ থাকোতে এই ঘটনা সংঘটিত হয়। আহত বঙাল চাৰহে ভৰি আৰু মুখত আঘাত পাইছে।

# মানসজ্যোতি বিভ্ৰাট! জিপিএছ সংলগ্ন এছআই মানসৰ ফটো প্ৰকাশ অসম আৰক্ষীৰ

**ই-সংবাদ, ৩০ জানুৱাৰীঃ** আলফা স্বাধীনৰ ম্যানমাৰস্থিত শিবিৰৰ পৰা দুটাকৈ ভিডিঅ' জাৰি কৰি মানস বৰগোহাঁই নামৰ দুৰ্ভগীয়া যুৱকজনে নিজকে অসম আৰক্ষীৰ প্ৰেৰিত গুপ্তচৰ বুলি দাবী কৰিছে। আলফা স্বাধীনে বন্দী কৰি ৰখা অৱস্থাত ৰেকৰ্ড কৰা ভিডিঅ' প্ৰচাৰ কৰি বাৰে বাৰে নিজকে মানস বৰগোহাঁই আৰু অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক বুলি দাবী কৰি আহিছে। এই দাবী অসম আৰক্ষীয়ে আনুষ্ঠানিক বিবৃতি জাৰি কৰি নস্যাৎ কৰিছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিং আৰু অসমৰ মুখ্যমন্ত্ৰীয়ে মানস বৰগোহাঁই নামৰ যুৱকক অসম আৰক্ষীয়ে মকৰল কৰা নাই বুলি দাবী কৰাৰ পাছতে পুনৰ আন এটা ভিডিঅ' প্ৰকাশ কৰিছে আলফা স্বাধীনে। আলফা স্বাধীনৰ নামত থকা ইউটিউব চেনেলত আন এটা ভিডিঅ' প্ৰকাশ কৰাৰ পাছতে মানস বৰগোহাঁইৰ নাম থকা অসম আৰক্ষীৰ নিযুক্তিৰ বাছনি তালিকা এখন প্ৰচাৰ হয়। বাছনি তালিকা প্ৰচাৰৰ পাছতে অসম আৰক্ষীয়ে পুনৰ বিবৃতি জাৰি কৰি স্পষ্টিকৰণ দিবলৈ বাধ্য হয়। আজি পুনৰ জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিত মানস বৰগোহাঁইৰ অসম আৰক্ষীৰ সৈতে কোনো সম্পৰ্ক নাই বুলি স্পষ্টভাৱে অস্বীকাৰ কৰে। তেওঁলোকৰ নিযুক্তিৰ মেধাৰ তালিকাত থকা ব্যক্তিজন হৈছে মানসজ্যোতি বৰগোহাঁই। নিযুক্তিৰ বাছনি তালিকাত নাম থকা মানসজ্যোতি বৰগোহাঁই যে আলফাৰ শিবিৰত বন্দী মানস বৰগোহাঁই নহয় তাৰ বাবে অসম আৰক্ষীয়ে ফটোসহ সম্পূৰ্ণ তথ্য ৰাজহুৱা কৰিছে। বৰ্তমান কৰিমগঞ্জত নিযুক্ত আৰক্ষী উপ-পৰিদৰ্শক (পিএছআই) হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে মানসজ্যোতি বৰগোহাঁয়ে। অসম আৰক্ষীত কৰ্মৰত উপ-পৰিদৰ্শক মানসজ্যোতি বৰগোহাঁইক চোৰাংচোৱা হিচাপে প্ৰেৰণ কৰাৰ সন্দেহ কৰি যি খবৰ প্ৰকাশ পাইছে সেই খবৰক নস্যাৎ কৰিছে অসম আৰক্ষীয়ে। সংবাদ মাধ্যমৰ খবৰক বিৰোধিতা কৰি আৰক্ষীয়ে প্ৰমাণসহ বিবৃতি প্ৰকাশ কৰি কয় যে আলফা স্বাধীনৰ জিম্মাত থকা মানস বৰগোহাঁইক লৈ জল্পনা-কল্পনা চলি আছে। মানস বৰগোহাঁই অসম আৰক্ষীৰ অংশ নহয় আৰু কেতিয়াও নাছিল। বিভ্ৰান্তি দূৰ কৰিবলৈ অসম আৰক্ষীয়ে মানসজ্যোতি বৰগোহাঁইৰ তাৰিখসহ জিপিএছ সংলগ্ন ফটো প্ৰকাশ কৰে। বাছনি তালিকাত থকা মানসজ্যোতি বৰগোহাঁয়ে কৰিমগঞ্জত বৰ্তমান কৰ্মৰত আছে বুলি আৰক্ষীয়ে দাবী কৰিছে। কৰিমগঞ্জৰ চাৰ্কিট হাউচ ৰোডত জিপিএছ মেপসহ ৩০ জানুৱাৰীৰ তাৰিখেৰ পুৱা ১১:৩৮ত ফটো তোলা হৈছিল। অসমৰ আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙে এক্সত মানস বৰগোহাঁইৰ ফেচবুক প্ৰ'ফাইল শ্বেয়াৰ কৰা হৈছে। নিজকে অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক বুলি পুনৰ দাবী কৰি আজি পুৱাই দ্বিতীয়টো ভিডিঅ' মানস বৰগোহাঁয়ে প্ৰকাশ কৰিছে। অসমৰ ৰাইজক তেওঁৰ ভাষ্য বিশ্বাসত ল'বলৈ কাতৰ আহ্বান জনাই অসম আৰক্ষীয়ে গুপ্তচৰ হিচাপে নিয়োগ কৰা বুলি পুনৰ দাবী কৰিছে। দুদিন পূৰ্বে আলফা স্বাধীনৰ নামত থকা এটা ইউটিউব চেনেলত এটা ভিডিঅ' প্ৰকাশ কৰি মানস বৰগোহাঁই নামৰ যুৱকে নিজকে আলফা স্বাধীনৰ কেম্পত বন্দী হোৱাৰ লগতে নিজকে অসম আৰক্ষীয়ে প্ৰেৰণ কৰা গুপ্তচৰ বুলি দাবী কৰিছিল। তাৰ পাছতে ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। অসম আৰক্ষীয়ে বিবৃতি জাৰি কৰি মানস বৰগোহাঁইক নিযুক্তি দিয়াৰ কথা অস্বীকাৰ কৰে।

# জোৱান নিৰুদ্দেশ, গুৰুত্ব নাই অসম আৰক্ষীৰ!

**ই-সংবাদ, ৩০ জানুৱাৰীঃ** চুবৰীয়া ৰাজ্য মিজোৰামত নিৰ্বাচনী দায়িত্ব পালন কৰিবলৈ গৈ অসম আৰক্ষীৰ এজন জোৱান নিৰুদ্দেশ হৈ থকাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। তিনিমাহ ধৰি জোৱানজন নিৰুদ্দেশ হৈ থকাৰ পাছতো অসম আৰক্ষীয়ে জোৱানজনক উদ্ধাৰৰ ব্যৱস্থা নোলোৱাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালে। জোৱানজন নগাঁৱৰ নৱম আৰক্ষী বাহিনী সমীন নাথ বুলি জানিব পৰা গৈছে। ঘৰ হৈছে নগাঁও জিলাৰ চামগুৰিত। বিগত বছৰৰ ২৮ অক্টোবৰত নগাঁৱৰ নৱম আৰক্ষী বাহিনীৰ বৃহৎ সংখ্যক জোৱানৰ সৈতে সমীন নাথক মিজোৰামলৈ নিয়া হৈছিল। নিৰ্বাচনী দায়িত্ব পালনৰ বাবে নিয়া সমীন নাথ বিগত তিনিমাহ ধৰি নিৰুদ্দেশ হৈ থকাৰ অভিযোগ আনিছে পৰিয়ালে। মিজোৰামলৈ নিয়াৰ পাছৰে পৰা সমীন নাথে পৰিয়ালৰ সৈতে কোনো যোগযোগ কৰা নাই। নাথৰ সন্ধান বিচাৰি কেইবাবাৰো পৰিয়ালে অসম আৰক্ষীৰ কাষ চাপিছে যদিও আৰক্ষীয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰি আজি পৰিয়ালটো উলুবাৰিস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয়। বৃদ্ধ মাতৃ আৰু পত্নী উলুবাৰিস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয় যদিও আৰক্ষীৰ কোনো উচ্চপদস্থ বিষয়াই সাক্ষাৎ নিদিয়া বুলি জানিব পৰা গৈছে। আৰক্ষী বিষয়াই সাক্ষাতৰ বাবে পূৰ্বে অনুমতি ল'ব লাগিব বুলি কৈ দায়িত্ব সামৰে বুলি সংবাদমাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে পত্নীয়ে। পত্নীৰ ভাষ্য মতে, ডিচেম্বৰ মাহৰ পৰা চবিন নাথৰ দৰমহা বন্ধ কৰি দিয়া হৈছে। উপায়হীন হৈ ডিজিপি জি.পি সিঙক সাক্ষাতৰ বাবে আহে যদিও সাক্ষাৎ লাভত বিফল হয়। জি.পি সিঙৰ লগতে আন কোনো উচ্চপদস্থ বিষয়াই সাক্ষাৎ নিদিলে সমীন নাথৰ পত্নীক। আৰক্ষী বিষয়াৰ সহায় ভিক্ষা কৰি পৰিয়ালটোৱে দিকবিদিক হেৰুৱাই পেলাইছে।

শেষ পৃষ্ঠা

# ফুটবল ফেডাৰেচন সভাপতিৰ পদত্যাগ দাবী বাইচুঙৰ

**নতুন দিল্লী, ৩০ জানুৱাৰীঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতি কল্যাণ চুবেৰ পদত্যাগ দাবী কৰিছে প্ৰাক্তন অধিনায়ক বাইচুং ভূটীয়াই। তেওঁৰ মতে বৰ্তমান সময়ত ভাৰতীয় ফুটবল দলৰ যি বিপৰ্যয় ঘটিছে, তাৰ বাবে চুবে দায়ী। ফেডাৰেচনৰ প্ৰধান সম্পাদক চাজী প্ৰভাকৰণক অপসাৰণ কৰাৰ পিছৰে পৰা ভাৰতীয় ফুটবল দলৰ প্ৰদৰ্শন নিৰাশাজনক হৈ আহিছে। ইয়াৰ বাবে ফেডাৰেচনৰ সভাপতি কল্যাণ চুবেক কাঠগাৰত থিয় কৰাইছে ভূটীয়াই। উল্লেখ্য যে যোৱা ৭ নৱেম্বৰত প্ৰভাকৰণক তেওঁৰ পদৰ পৰা অপসাৰণ কৰা হৈছিল।



শ্ৰীলংকাৰ স্বাধীনতা দিৱসৰ এটি দৃশ্য

# আকৌ বিতৰ্কত চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচন

## বিজেপিৰ নিৰ্লজ্জ কাণ্ড!

**চণ্ডীগড়, ৩০ জানুৱাৰীঃ** ইণ্ডিয়া মিত্ৰজোঁটে বিজেপিৰ বিৰুদ্ধে প্ৰথমটো নিৰ্বাচনত অৱতীৰ্ণ হৈ বিফল হৈছে। চণ্ডিগড়ৰ মেয়ৰ নিৰ্বাচিত কৰিবলৈ অনুষ্ঠিত নিৰ্বাচনত বিজেপিয়ে বিজয় লাভ কৰিছে। বিজেপিৰ মনোজ সোনকাৰ নিৰ্বাচনত জয়ী হৈছে। মনোজ সোনকাৰ আম আদমী পাৰ্টিৰ প্ৰাৰ্থী কুলদীপ কুমাৰৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল। অৱশ্যে, বিজেপিয়ে ৩৬ টা ভোটৰ ভিতৰত ১৬টা ভোট লাভ কৰি নিৰ্বাচনত জয়ী হয়। আপ আৰু কংগ্ৰেছে বিজেপিৰ বিৰুদ্ধে অসৎ পন্থা অৱলম্বন কৰাৰ অভিযোগ উত্থাপন কৰিছিল আৰু নিৰ্বাচনক 'দেশদ্ৰোহী' বুলি অভিহিত কৰিছিল। ইপিনে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মেয়ৰ নিৰ্বাচনত বিজেপিয়ে সমগ্ৰ বিশ্বৰ সন্মুখত গণতন্ত্ৰক হত্যা কৰা বুলি অভিযোগ আনে। ৰাহুল গান্ধীয়ে কয় যে বিজেপিয়ে দিল্লীৰ শাসনত থাকিবলৈ কি কৰিব সেয়া কল্পনাৰ বাহিৰত। বহু বছৰ আগতে আজিৰ দিনটোতে গডছেয়ে মহাত্মা গান্ধীক হত্যা কৰিছিল আৰু আজি গডছেবাদীয়ে মহাত্মা গান্ধীৰ আদৰ্শ আৰু সাংবিধানিক মূল্যবোধ হত্যা কৰিছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে বিজেপিৰ বিৰুদ্ধে অসৎ উপায় অৱলম্বন কৰাৰ অভিযোগ উত্থাপন কৰি এটা পোষ্ট দিয়ে। মুখ্যমন্ত্ৰী কেজৰিৱালে কয় যে চণ্ডিগড়ৰ মেয়ৰ নিৰ্বাচন দিনৰ পোহৰত যি ধৰণে অসৎ পন্থা লোৱা হৈছে, সেয়া অতি উদ্বেগজনক। যদি এই লোকসকলে মেয়ৰ নিৰ্বাচনত ইমান তললৈ নামিব পাৰে, দেশৰ নিৰ্বাচনত যিকোনো পৰ্যায়লৈ যাব পাৰে। এয়া অতি উদ্বেগজনক। এই বিজয়ৰ বাবে চণ্ডিগড় বিজেপি গোটক অভিনন্দন জনাই ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই এক্সত পোষ্ট দি নাড্ডাই কয় যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত অভিলেখ উন্নয়ন হৈছে। ইণ্ডিয়া মিত্ৰজোঁটে প্ৰথম নিৰ্বাচনী যুঁজ দি বিজেপিৰ হাতত পৰাজিত হোৱাটোৱে প্ৰমাণ কৰে যে তেওঁলোকৰ গণিতে কাম কৰা নাই বা ৰসায়নে কাম কৰা নাই। বিজেপিয়ে যোৱা আঠ বছৰ ধৰি মেয়ৰৰ পদত অধিষ্ঠিত হৈ আছে। পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত আজি চণ্ডিগড়ত মেয়ৰৰ নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত, প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতা আছিল কংগ্ৰেছ-আম আদমী পাৰ্টি মিত্ৰজোঁট আৰু বিজেপিৰ মাজত। ভোটগ্ৰহণ মূলত ১৮ জানুৱাৰীত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও প্ৰিজাইডিং বিষয়াজনে অসুস্থ হোৱাত চণ্ডিগড় প্ৰশাসনে ৬ ফেব্ৰুৱাৰীলৈ পিছুৱাই দিছিল। কংগ্ৰেছ আৰু আপৰ কাউন্সিলাৰসকলে নিৰ্বাচন স্থগিত ৰখাত প্ৰশাসনৰ নিৰ্দেশৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিছিল। আপৰ মেয়ৰ প্ৰাৰ্থী কুলদীপ কুমাৰে চণ্ডিগড়ৰ উপায়ুক্তৰ নিৰ্বাচন স্থগিত ৰখাৰ আদেশক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। উচ্চ ন্যায়ালয়ে ২৪ জানুৱাৰীত দিয়া নিৰ্দেশত চণ্ডিগড় প্ৰশাসনক ৩০ জানুৱাৰীত পুৱা ১০ বজাত মেয়ৰ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছিল। উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল যে ভোট দিবলৈ অহা কাউঞ্চিলৰসকলৰ সৈতে ৰাজ্যৰ আন কোনো সমৰ্থক বা সুৰক্ষা কৰ্মী নাথাকিব। মেয়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায় ৪০০ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হৈছিল। প্ৰিজাইডিং বিষয়া অনিল মাছিহে পুৱা প্ৰায় ১০.৪০ বজাত মেয়ৰ পদৰ বাবে ভোটদান প্ৰক্ৰিয়া আৰম্ভ কৰিছিল।

# প্ৰাক্তন পাক প্ৰধানমন্ত্ৰী ইমৰানক ১০ বছৰৰ কাৰাদণ্ড

**অনলাইন ফিচাৰ্ছ, ৩০ জানুৱাৰী:** ইছলামাবাদ, ৩০ জানুৱাৰীঃ ক্ৰিকেটৰ পৰা গৈ ৰাজনীতিত প্ৰৱেশ কৰি পাকিস্তানৰ প্ৰধানমন্ত্ৰী হোৱা ইমৰান খানক আজি এখন বিশেষ আদালতে দহ বছৰৰ বাবে কাৰাদণ্ড বিহিছে। পাকিস্তানৰ বিশ্বকাপ জয়ী অধিনায়ক খানক ২০২২ চনত প্ৰধানমন্ত্ৰীৰ পদৰ পৰা অপসাৰণ কৰা হৈছিল। কাৰ্যালয়ৰ গোপন নথি উভতাই নিদিয়াৰ অভিযোগত তেওঁক এই শাস্তি প্ৰদান কৰা হয়। উল্লেখ্য যে ২০২৩ চনৰ আগষ্ট মাহৰ পৰা আন এক অভিযোগত তেও কাৰাগাৰতে আছে। অৱশ্যে তেওঁ সেই অভিযোগৰ পৰা মুক্ত হৈছে যদিও মুকলি আকাশৰ তললৈ অহা নাই। খান আৰু তেওঁৰ দল পাকিস্তান তেহৰিক-ই-ইনছাফৰ নেতা শ্বাহ মাহমুদ কুৰেশ্বিকো দহ বছৰ কাৰাদণ্ড প্ৰদান কৰা হৈছে। বৃটিছ আমোলৰ কাৰ্যালয় গোপনীয়তা আইনৰ অধীনত দুয়োজনকে বিশেষ আদালতে শাস্তি দিছে। অৱশ্যে ইমৰান খানৰ অধিবক্তাই আজিৰ ৰায়ৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আপীল কৰিব বুলি প্ৰকাশ কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান